# অসম আদিত্য

RNI REGN. N

■ ১১ চ'ত, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ২৬ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Thursday, March 26, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক


## কানৈ মহাবিদ্যালয়ত এদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

**ষ্টাফ ৰিপৰ্টাৰ, ২৫ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যুটীয়া উদ্যোগত তথা হিন্দী, ৰসায়ন বিজ্ঞান আৰু সংস্কৃত বিভাগৰ সহযোগত ২৭ মাৰ্চত কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত অনুষ্ঠিত হ'ব এদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা। 'A paradigm shift in Teachers Education through ITEP in Assam-Challenges and Prospects' শীৰ্ষক বিষয়ত অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনিৰ উদ্বোধনী অনুষ্ঠানত আদৰণী আৰু উদ্বোধনী ভাষণ প্ৰদান কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° এনিশা দত্তই আঁত ধৰিবলগীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ক্ৰমে পূৰ্বাঞ্চলীয় আঞ্চলিক সমিতি (ইআৰচি) এন চি টি ইৰ অধ্যক্ষ ড° দিব্যজ্যোতি মহন্ত, যোৰহাট বাহনা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা ITEP-ৰ সমন্বয়ক ড° মৃদুল দত্ত আৰু লখিমপুৰ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিত ভূএঞা। মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা বিনী শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰিবলগীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰাধ্যাপক ড° মুকুট হাজৰিকা। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া কৰ্মশালাখনিৰ প্ৰথম কাৰিকৰী সত্ৰত ডিব্ৰুগড় জিলাৰ ড° ৰাধাকৃষ্ণণ বিদ্যালয়, ছল্ট ব্ৰুক একাডেমী, জ্ঞান বিজ্ঞান একাডেমী, চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়, চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়, শিক্ষাভেলী বিদ্যালয়, দিল্লী পাব্লিক বিদ্যালয়, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয়, বি এল বেৰিয়া সৰস্বতী শিশু মন্দিৰ, শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱ কনিষ্ঠ মহাবিদ্যালয়, ৰামেশ্বৰ শৰ্মা ফুকন শংকৰদেৱ বিদ্যা নিকেতন, লিট'ল ফ্লাৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ছেন্ট মেৰিজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডন বস্ক' উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু লাহোৱাল ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব। আনহাতে, কৰ্মশালাখনিত 'সংযুক্ত শিক্ষক শিকণ প্ৰশিক্ষণ পাঠ্যক্ৰম' (ITEP)-ৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া অন্য তিনিটা সত্ৰত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে কৰ্মশালাখনি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত নতুনকৈ সংযোজিত হোৱা 'সংযুক্ত শিক্ষক শিকণ প্ৰশিক্ষণ পাঠ্যক্ৰম' (ITEP)-ৰ বিষয়ে অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টি কৰিবৰ বাবে অনুষ্ঠিত কৰা হৈছে।